بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধত তেখেত (ছাঃ) অকলেই ৰৈ গৈছিল, ইয়াৰ মাজত ৰহস্য এয়া আছিল যে তেখেত (ছাঃ)ৰ বীৰত্ব যেন লোক সকলৰ মাজত প্ৰকাশ পায়**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৯ ডিচেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়, আজিও উহুদৰ যুদ্ধ সন্দৰ্ভত কিছু কথা বৰ্ণনা কৰিম। যিদৰে উল্লেখ কৰিছিলো যে গিৰিপথ খালি হৈ যোৱাৰ ফলত কাফিৰ সকলে পিছফালৰ পৰা আক্ৰমণ কৰিছিল আৰু যুদ্ধ বেলেগ ৰূপ ধাৰণ কৰিছিল। শত্ৰু পক্ষৰ আক্ৰমণ বৰ ভীষণ আছিল। সেই সময়ত তেখেত (ছাঃ)ৰ দৃঢ় সংকল্প আৰু বীৰত্বৰ বিষয়ে লিখিছে যে যুদ্ধৰ ৰূপ পৰিৱৰ্তন হৈ যোৱাত চাহাবা সকলে অচেতন হোৱাৰ কাৰণে নিজকে চম্ভালিব পৰা নাছিল; যাৰ ফলত চাঞ্চল্যকৰ পৰিৱেশ সৃষ্টি হৈছিল। আঁহজৰত (ছাঃ)য়ে সেই চাঞ্চল্যকৰ পৰিৱেশত আৰু চাৰিওফালৰ পৰা শত্ৰু সকলৰ আক্ৰমণ সত্ত্বেও দৃঢ়তাৰে সৈতে প্ৰতিষ্ঠিত আছিল। চাহাবা সকলে ভীতিগ্ৰস্ত হৈ ইফালে-সিফালে পলায়ন কৰাৰ দৃশ্য চাই তেখেত (ছাঃ)য়ে কৈছিল হে অমুক ! মোৰ ফালে আহা; হে অমুক ! মোৰ ফালে আহা; মই খোদাৰ ৰছুল হওঁ,সেই সময়ত চাৰিওফালৰ পৰা তেখেত (ছাঃ)ৰ ওপৰত কাড় নিক্ষেপ হৈ আছিল। এটা বৰ্ণনাত পোৱা যায় তেখেত (ছাঃ)য়ে উচ্চস্বৰে কৈছিক যে, **আনান নাবিয়ু লা কাজিব,আনা ইবনু আব্দিল মুতাল্লিব, আনা ইবনুল আৱাতিক;** মই নবী হওঁ, মই মিছলীয়া নহওঁ, মই আব্দুল মুতালিবৰ ল'ৰা হওঁ, অৰ্থাৎ এতীম।

এই কলিমা তেখেত (ছাঃ)য়ে হুনাইনৰ যুদ্ধত কৈছিল, কিন্তু এই কলিমা তেখেত (ছাঃ)য়ে উহুদৰ যুদ্ধতও কৈছিল। আৱাতিক আতিকাৰ বহুবচন; আৰু আতিকা এজনতকৈ অধিক মহিলাৰ নাম আছিল যিগৰাকী তেখেত (ছাঃ)ৰ নানি আৰু দাদী আছিল।

এই ঘটনা সমূহৰ বিস্তাৰিত বিৰৰণ বয়ান কৰি হজৰত মির্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰত খাতামান্নাবিঈনত লিখিছে যে যেতিয়া আব্দুল্লাহ বিন জুবেৰ (ৰাঃ)ৰ লগৰীয়া সকলে দেখিবলৈ পাইছিল যে বিজয় হৈ গৈছে, তেতিয়া সিহঁতে সিহঁতৰ আমিৰ আব্দুল্লাহক কয় যে আমাক সেনা বাহিনীৰ সৈতে চামিল হোৱাৰ অনুমতি প্ৰদান কৰক। আব্দুল্লাহ (ৰাঃ)য়ে সিহঁতক বাধা দিয়ে কিন্তু সিহঁতে এয়া কৈ তলফালে নামি যায় যে ৰছুলুল্লাহ (ছাঃ)ৰ কেৱল এয়াই উদ্দেশ্য আছিল যে যেতিয়ালৈকে পৰিপূৰ্ণ ভাৱে সন্তুষ্টি নহয় তেতিয়ালৈকে গিৰিপথ খালি নকৰিব। খালিদ বিন অলিদে গিৰিপথ খালি দেখি নিজৰ সেনা বাহিনী আৰু আক্ৰামা বিন আবি জেহেলক লগত লৈ আব্দুল্লাহ বিন জুবেৰ (ৰাঃ) আৰু তেখেত (ছাঃ)ৰ অল্প সংখ্যক লগৰীয়া সকলৰ ওপৰত আক্ৰমণ চলাই সিহঁতক শ্বহীদ কৰি ইছলামী সেনা বাহিনীৰ ওপৰত ভীষণ আক্ৰমণ চলায়। তেখেত (ছাঃ)য়ে এখন ওখ ঠাইত থিয় হৈ এই দৃশ্য চাই মুছলমান সকলক উচ্চস্বৰে মাত মাতিছিল, কিন্তু যুদ্ধ চলাকালীন শব্দ অতি বেছি হৈ যোৱাৰ ফলত তেখেত (ছাঃ)ৰ মাত কোনেও শুনা নাছিল।

মুছলমান সকলে সিহঁতৰ হঠাতে আক্ৰমণ চাই বৰ ভীতিগ্ৰস্ত হৈ পৰিছিল, মুছলমান সকল অচেতন অৱস্থাৰ কাৰণে কাফিৰ সকলে ভীষণ আক্ৰমণ চলায় যাৰ ফলতে মুছলমান সকল নিজকে নিয়ন্ত্ৰণ কৰিবলৈ অক্ষম হৈ পৰে। হুজায়ফা (ৰাঃ)ৰ পিতৃ ইয়ামানক ভুল বশত শ্বহীদ কৰি দিয়ে। আঁহজৰত (ছাঃ)য়ে পিছত মুছলমান সকলৰ ফালৰ পৰা ইয়ামানৰ হত্যাৰ পৰিশোধ দিব বিচাৰিলে, কিন্তু হুজায়ফা (ৰাঃ)য়ে সেয়া ল'বলৈ অস্বীকাৰ কৰে আৰু কয় যে মই নিজৰ পিতৃৰ হত্যা হোৱাত মুছলমান সকলক ক্ষমা কৰি দিছো।

হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে ছুৰা নুৰৰ আয়াত ৬৪ ৰ ব্যাখ্যাত এয়া লিখিছে যে যিসকলে ৰছুল (ছাঃ)ৰ আদেশ অমান্য কৰে, সিহঁতে এই কথাৰ প্ৰতি সতৰ্ক হোৱা উচিত যে সিহঁতৰ ওপৰত যেন খোদা তা'লাৰ ফালৰ পৰা কোনো শাস্তি অৱতীৰ্ণ নহয়। চাওঁক উহুদৰ যুদ্ধত তেখেত (ছাঃ)ৰ আদেশক অমান্য কৰাৰ ফলত ইছলামী সেনা বাহিনীৰ কিমান ক্ষতিগ্ৰস্ত হ'ল। কাফিৰ সকলৰ প্ৰতিদ্বন্দ্বিতাত বিজয় লাভ কৰা সত্ত্বেও ক্ষন্তেকীয়া পৰাজয় এই কাৰণেই হয় যে অল্প সংখ্যক লোক সকলে তেখেত (ছাঃ)ৰ আদেশ অমান্য কৰিছিল; আৰু তেখেত (ছাঃ)ৰ হিদায়তৰ বিৰুদ্ধে কাম কৰা আৰম্ভ কৰিছিল।

সেই সকল লোক যদি মহম্মদ (ছাঃ)ৰ কথা সেইদৰে মান্য কৰিলে হয় যিদৰে শিৰাবোৰ হৃদয়ৰ দৰকন অনুসৰি চলে। যদি সিহঁতে ভাৱিলে হয় যে মহম্মদ (ছাঃ)ৰ আদেশৰ ফলত যদি সমগ্ৰ জগতে নিজৰ প্ৰাণ হেৰুৱাব লগা হ'ল হয়, তেন্তে সেয়া সততা নাছিল। সিহঁতে যদি নিজৰ স্বাৰ্থ ত্যাগ কৰি সেই গিৰিপথ নেৰিলে হয়, তেন্তে শত্ৰু সকলে দ্বিতীয়বাৰ আক্ৰমণ কৰাৰ সুযোগ নাপালে হয়; আৰু ৰছুলুল্লাহ (ছাঃ) আৰু চাহাবা সকলৰও কোনো ক্ষতি সাধন কৰিব লগা নহল হয়। আল্লাহ তা'লাই কৈছে যে তোমালোকে আদেশ অমান্য কৰাৰ ফলত ক্ষতি সাব্যস্ত হ'ল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ছুৰা কাউছাৰৰ ব্যাখ্যাত এই ঘটনাৰ বিৰৰণ লিখিছে যে,

ৰছুলুল্লাহ (ছাঃ)ৰ দৃঢ়তাৰে সৈতে প্ৰতিষ্ঠিত থকা সন্দৰ্ভত মিকদাদ বিন উমৰু (ৰাঃ)য়ে উহুদৰ দিনৰ কথা উল্লেখ কৰি বৰ্ণনা কৰিছে যে আল্লাহৰ শপত ! পৌত্তলিক সকলে হত্যা কৰিলে আৰু মহম্মদ (ছাঃ)ক বহুত ক্ষতি কৰিলে। শুনা ! সেই অস্তিত্বৰ শপত ! যিজনাই তেখেত (ছাঃ)ক সত্যৰ সৈতে প্ৰেৰণ কৰিছে।

আপুনি এক হাত পিছহুহুঁকি যোৱা নাই আৰু শত্ৰু সকলৰ  মাজতেই আছিল। আন  এটা বৰ্ণনাত পোৱা যায় যে তেখেত (ছাঃ)য়ে নিজৰ ঠাইতেই স্থিৰ থাকি শত্ৰু সকলৰ সৈতে মোকাবিলা কৰিছিল আৰু নিজৰ ধনুৰ পৰা কাড় নিক্ষেপ কৰি আছিল, ইমানতে কাড় শেষ হৈ যায়, আৰু ধনু কাতাদা বিন নুমান (ৰাঃ)য়ে লৈ লয় তাৰ পিছত সেই ধনু চিৰকালৰ বাবে  তেওঁৰে ওচৰতেই থাকি যায়।

নাফে বিন জুবেৰ (ৰাঃ)য়ে বয়ান কৰিছে যে মই মুহাজেৰিণ সকলৰ মাজৰ এজন ব্যক্তিক এয়া কৈ থাকোতে দেখিছো যে উহুদৰ যুদ্ধত চাৰিওফালৰ পৰা তীৰ নিক্ষেপ কৰা দেখিবলৈ পাইছিলো; আৰু ৰছুলুল্লাহ (ছাঃ)তাৰ মাজতেই আছিল, গোটেইবোৰ তীৰ তেখেত (ছাঃ)ৰ পৰা দূৰ হৈ গৈছিল। আব্দুল্লাহ বিন শ্বাহাব জেহেৰিয়ে কৈছে যে আপোনাক আমাৰ পৰা সুৰক্ষিত ৰখা হৈছে। আল্লাহৰ শপত ! আমি চাৰিজন মক্কাৰ পৰা ওলাইছিলো আৰু তেওঁ হত্যা হৈছে বুলি কৈছিলো কিন্তু তেখেতৰ ওচৰত গৈ পোৱা নাছিলো।

হজৰত মছীহ মাওউদ (আঃ)য়ে বয়ান কৰিছে যে তেখেত (ছাঃ)ৰ মক্কাৰ জীৱনী এটা অদ্ভুত আদৰ্শ। এফালে গোটেই জীৱন কষ্টতেই অতিবাহিত কৰিছে; উহুদৰ যুদ্ধত তেখেত (ছাঃ)অকলেই আছিল, আনফালে শত্ৰু সকলে ঘেৰাও কৰিছিল তথাপি তেখেত (ছাঃ)য়ে এয়া গোপন কৰা নাছিল যে মই ইয়াতে নাই, বৰং ঘোষণা কৰি দিছিল। উহুদৰ যুদ্ধত তেখেত (ছাঃ) অকলেই ৰৈ গৈছিল তাৰ মাজত ৰহস্য এয়াই আছিল যে  যাতে তেখেত (ছাঃ)ৰ বীৰুত্ব লোক সকলৰ মাজত প্ৰকাশ পায়। তেখেত (ছাঃ)য়ে দহ হেজাৰৰ মোকাবিলাত থিয় হৈ গৈছিল যে মই আল্লাহ তা’লাৰ ৰছুল হওঁ। এনেকুৱা  আদৰ্শ প্ৰদৰ্শন কৰিবলৈ কোনো নবীয়ে সুযোগ পাইছিল নে ?

হুজুৰ  আনোৱাৰ (আইঃ)য়ে কৈছে যে উহুদৰ যুদ্ধত সিহঁতৰ সংখ্যা আছিল তিনি হাজাৰ। লিখোতাই লিখিছে যে সম্ভৱত তেখেত দুটা যুদ্ধৰ কথা উল্লেখ কৰিছে। এহজাবৰ যুদ্ধতও কাফিৰ সকলৰ সংখ্যা আছিল দহ হেজাৰ। আন ঠাইতেও কাফিৰ সকলৰ অনেক সংখ্যক লোক আছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে তেখেত (ছাঃ)ৰ বীৰত্ব আৰু তেখেত (ছাঃ)ৰ আদৰ্শই প্ৰতীয়মান কৰে যে কাফিৰ সকলৰ সন্মুখত তেখেত (ছাঃ) অকলেই থিয় হৈ আছিল।

আকৌ তেখেত (আঃ)য়ে কৈছে যে খোদা তা’লা সৰ্বশক্তিমান যাক বিচাৰে সামৰ্থ্য শক্তি দান কৰে। নিজৰ শক্তি তেখেতৰ মাজত সোমাই দিছিল। নবী সকলে সেইজনাৰ  শক্তিতেই নিজৰ জীৱন বিসৰ্জন দিছিল। কোনো প্ৰেমিকে এনেকুৱা কৰিব পাৰিব নে যে নিজৰ প্ৰভুৰ প্ৰেমত যুদ্ধ ময়দানত নিজৰ খোজ দৃঢ় ৰাখি পিছহুহুঁকি নেযায় ? সমগ্ৰ নবীয়ে যি দাবী কৰে তাৰ ওপৰত প্ৰতিষ্ঠিত থাকে।

উহুদৰ যুদ্ধ সন্দৰ্ভত লোক সকলে বিভিন্ন কথা বৰ্ণনা কৰিছে। মূল কথা এয়া যে খোদা তা’লাৰ ক্ষমতা সেই সময়ত প্ৰদৰ্শিত  হৈছিল। সেয়া আঁহজৰত (ছাঃ)ৰ  বাহিৰে অইন কোনোবাই সহ্য কৰিব পৰা নাছিল। সেই কাৰণে তেখেত (ছাঃ)য়ে যুদ্ধ ময়দানতেই থিয় হৈ আছিল আৰু বাকী চাহাবা সকলৰ খোজ দৃঢ় হৈ থকা  নাছিল।

আঁহজৰত (ছাঃ)ৰ জীৱনৰ সততা আৰু ঐশ্বৰিক সাহায্যৰ দৃষ্টান্ত আন কতো দেখিবলৈ পোৱা নাযায়। হুজুৰ (আইঃ)য়ে খোতবাৰ শেষত কিছুমান মৰহুমিন সকলৰ জীৱনীৰ কথা উল্লেখ কৰে।

পোনপ্ৰথমে এজন খাদিম আৰু মুবাল্লিগ মাননীয় ডাক্তৰ জালাল স্বামছ চাহাব ইনচাৰ্জ তাৰকছ ডেস্কৰ

মৃত্যুত তেওঁৰ জীৱনৰ কথা উল্লেখ কৰি কয় তেওঁৰ জানাজা যোৱা কালি পঢ়া হৈছে আজি তেখেতৰ বিষয়ে কিছু কথা উল্লেখ কৰিব বিচাৰো। তেওঁ যোগ্যবান,সহানুভূতিশীল,জীৱন বিসৰ্জন  দিওঁতা আছিল। জামানী আৰু বৰতানিয়াত তেখেতৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ হয়। ২০০২ চনত তুৰ্কীত তেখেতৰ সুজন লগৰীয়াৰ সৈতে প্ৰচাৰৰ কাম কৰা আৰোপত চাৰি মাহ পোন্ধৰ দিন কাৰাগাৰত থাকিব লগা হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে আন তিনিজন মৰহুমিন সকলৰ সদগতি উল্লেখ কৰি সিহঁতৰ নামাজে জানাজা গায়েব পঢ়াৰ  ঘোষণা কৰে। তাৰ মাজত মাননীয় মহম্মদ ইব্ৰাহিম ভামবৰি চাহাব। তেওঁ ১০৬ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। বৰ ভাল আচৰণকাৰী আছিল। মইয়ো তেওঁৰ ছাত্ৰ আছিলো। তেওঁৰ কঠোৰতাত সহানুভূতি আৰু সংশোধন কৰা উদ্দেশ্য আছিল।

ঘানাৰ ইউছুফ উজাৰে চাহাব। তেওঁ নিষ্ঠাবান আহমদী আছিল। জামাতৰ বিভিন্ন পদত নিযুক্ত থাকি সেৱা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছিল।

আকৌ আলহাজ উছমান বিন আদম চাহাব। তেওঁ অচিয়ত কৰিছিল; নিষ্ঠাবান আহমদী আছিল। হজ্ব কৰাৰ সৌভাগ্য লাভ কৰিছে। কোৰাআন কৰিম ফাণ্টি ভাষাত অনুবাদ কৰাৰ ভুমিকা পালন কৰিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ বাবে  ক্ষমাৰ দোৱা বিচাৰি কয় যে আল্লাহ তা’লা তেওঁৰ সন্তান-সন্ততিক তেওঁৰ পদাঙ্কত পৰিচালিত হোৱাৰ সৌভাগ দান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لاَّ اِلٰہَ اِلاَّ اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَاللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 29 DEC 2023

**BOOK POST (PRINTED MATTER)**

TO,

..................................................

..................................................

..................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844